যি বৈঠকত আল্লাহক স্মৰণ কৰা নহয় আৰু নবীৰ প্ৰতি দৰূদ পাঠ কৰা নহয়, তেনেকুৱা বৈঠক (কিয়ামতৰ দিনা) সিহঁতৰ বাবে পৰিতাপৰ কাৰণ হ'ব। আল্লাহে ইচ্ছা কৰিলে সিহঁতক শাস্তি বিহিব পাৰে আৰু ইচ্ছা কৰিলে ক্ষমা কৰি দিব পাৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি বৈঠকত আল্লাহক স্মৰণ কৰা নহয় আৰু নবীৰ প্ৰতি দৰূদ পাঠ কৰা নহয়, তেনেকুৱা
বৈঠক (কিয়ামতৰ দিনা) সিহঁতৰ বাবে পৰিতাপৰ কাৰণ হ'ব। আল্লাহে ইচ্ছা কৰিলে সিহঁতক
শাস্তি বিহিব পাৰে আৰু ইচ্ছা কৰিলে ক্ষমা কৰি দিব পাৰে।" [رواه أبو داود والترمذي والنسائي في الكبرى] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত আল্লাহৰ স্মৰণৰ পৰা অমনোযোগী হোৱাৰ পৰা সতৰ্ক কৰিছে। তেখেতে উল্লেখ কৰিছে যে, যি বৈঠকত আল্লাহক স্মৰণ কৰা নহয় তথা ৰাছুলৰ প্ৰতি দৰূদ পাঠ কৰা নহয়, তেনেকুৱা বৈঠক কিয়ামতৰ দিনা ক্ষতি লোকচান অনুতাপ তথা পৰিতাপৰ কাৰণ হ'ব। আল্লাহে ইচ্ছা কৰিলে সিহঁতৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী ভুল ত্ৰুটিৰ কাৰণে সিহঁতক শাস্তি বিহিব পাৰে। আনহাতে তেওঁ ইচ্ছা কৰিলে তেওঁৰ দয়া আৰু অনুগ্ৰহত ক্ষমাও কৰি দিব পাৰে।

http://sunnah.global/hadeeth/as/show/5511